সাত সাগৰৰ সিপাৰত সকলোৰে মৰমৰ জুবিনৰ আকস্মিক বিয়োগৰ খবৰ আছিল গভীৰ বেদনাদায়ক। জুবিন-দৰ্শনৰ চৰ্চা ক্ৰমান্বয়ে সকলো মাধ্যমত হোৱাৰ সমান্তৰালভাৱে দুখত কাতৰ হোৱা অনুৰাগীক উত্তেজিত কৰিবলৈ এচামে উঠি-পৰি লাগিল। ৰাজনীতিৰ পৰা মুক্ত, ধৰ্মৰ পৰা মুক্ত, ভগৱানৰ পৰা মুক্ত...

কুশল কুমাৰ দাস

অসমৰ পৰা ছিংগাপুৰলৈ...

জাষ্টিচ ফৰ জুবিন

যোৱা ১৯ ছেপ্টেম্বৰৰ পৰা অসমৰ সৰ্বস্তৰতে জাষ্টিচ ফৰ জুবিন প্ৰত্যাশী এক গণ আন্দোলন আৰম্ভ হৈছে। নহ'বই বা কিয়? হঠাৎ অহা অনাকাংক্ষিত খবৰে লক্ষ লক্ষ মানুহক বাক্‌হীন কৰি তুলিছিল। অভাৱনীয় দুখৰ বাৰ্তাৰ মুখামুখি হ'বলৈ ব্যস্ততাপূৰ্ণ কোনো মানুহ পূৰ্বৰে পৰা সাজু নাছিল। জুবিনৰ মৃত্যু কেৱল এটা খবৰ নাছিল; অসমীয়া মানুহৰ হৃদয়ত মোক্ষম আঘাত। কেনেকৈ, কিয়, কোনে, কাৰ বাবে আদি প্ৰশ্নৰ উত্তৰ সেই সময়ত কাৰো হাতত নাছিল। বাক্‌ৰুদ্ধ জনতা কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। সুদূৰ ছিংগাপুৰৰ সাগৰৰ বুকুত হোৱা দুৰ্ঘটনাৰ আধা ডুখৰীয়া ভিডিঅ' ক্লিপ দেখি জনতাই আৰ্তনাদ কৰাৰ লগতে বিভিন্নজনৰ মনত সন্দেহ ঘনীভূত বহুতো কথাই দিন-ৰাতি একাকাৰ কৰি উদ্বেগবিহ্বল কৰি তুলিছিল অসমীয়া মানুহক। এক পৰিকল্পিত অবহেলাজনিত হত্যাকাণ্ড বুলিও ধাৰণা কৰা হ'ল। কেইবাটাও কথা স্পষ্ট হৈ পৰিল, কাৰণ ছিজাৰ আক্ৰান্ত জুবিন পানী আৰু জুইৰ পৰা আঁতৰত থাকিব লাগে। এই কথা জনাৰ পাছতো পানীত ল'ৰা-ধেমালি কৰিবলৈ প্ৰৰোচিত কৰাসকলৰ মাজতে হত্যাৰ ষড়যন্ত্ৰ লুকাই থকাৰ সন্দেহ কৰা হ'ল। কাৰ স্বাৰ্থত আৰু কি বাতাৱৰণত অৱধাৰণা (narrative) সলনি কৰিবলৈ জুবিনক এনেদৰে অসমীয়া মানুহৰ বুকুৰ পৰা চিৰদিনৰ বাবে নিঃশেষ কৰাৰ ষড়যন্ত্ৰ ৰচা হ'ল? ইয়াৰ উত্তৰ আৰু দোষী প্ৰত্যয়জনক শাস্তি নিদিয়ালৈকে অসমীয়া মানুহ অস্থিৰ হৈ থাকিব। সাত সাগৰৰ সিপাৰত সকলোৰে মৰমৰ জুবিনৰ আকস্মিক বিয়োগৰ খবৰ আছিল গভীৰ বেদনাদায়ক। জুবিন-দৰ্শনৰ চৰ্চা ক্ৰমান্বয়ে সকলো মাধ্যমত হোৱাৰ সমান্তৰালভাৱে দুখত কাতৰ হোৱা অনুৰাগীক উত্তেজিত কৰিবলৈ এচামে উঠি-পৰি লাগিল। ৰাজনীতিৰ পৰা মুক্ত, ধৰ্মৰ পৰা মুক্ত, ভগৱানৰ পৰা মুক্ত স্বাধীনচিতীয়া জুবিনসত্তাক সক্ৰিয়। ৰাজনীতিৰ চক্ৰবেষ্ঠত সোমাবলৈ জোৰদাৰ প্ৰয়াস চলোৱা হ'ল। অত্যন্ত অশুভ বাতাৱৰণক

স্বতন্ত্ৰ ৰূপত জীয়াই ৰাখিবলৈ অংগীকাৰবদ্ধ সমগ্ৰ জনতা। জুবিনৰ অকাল বিয়োগৰ পাছত ৰাইজৰ প্ৰথম দাবী হৈছে ছিংগাপুৰত কেনেকৈ জুবিনৰ দুৰ্ঘটনাত মৃত্যু হ'ল? ইয়াৰ গ্ৰহণযোগ্য ন্যায়োচিত ৰায় নোপোৱালৈকে ৰাইজ শান্তনহ'ব। জুবিনৰ আকস্মিক দুৰ্ঘটনাক লৈ সামাজিক মাধ্যমত বিভিন্ন চক্ৰৰ সক্ৰিয়তা বৃদ্ধি পাইছে। ৰাজনৈতিক দলৰ চোতালতো উথপথল লাগিছে। আৱেগত আতুৰ দেশ-বিদেশৰ জনতাৰ মাজত জুবিনৰ সৃষ্টিসমূহৰ পশ্চাদ অৱলোকনে সামাজিক মাধ্যমত বিৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি হ'ল। ইয়াৰ উপৰি বিভিন্ন উপস্থাপনৰ মাজত স্বতঃস্ফূৰ্তভাৱে জুবিনৰ 'মায়াবিনী...' গীতটো জুবিনে কৈ যোৱাৰ ধৰণে প্ৰাৰ্থনা গীতলৈ ৰূপান্তৰ হ'ল। আৱেগৰ গতিৰ তীব্ৰতা তুংগত উঠিল, আকাশে ডাবৰে জুবিনময় জাগৰণত আৱেগৰ ঢল নামিল। আদৰৰ স্নেহৰ জুবিন নাই, কথাটো কোনোৱে মানি ল'বলৈ টান হ'ল। কেৱল চকু পানীৰ হাহাকাৰ, দোষীক চৰম শাস্তি দিয়াৰ দাবীত দিন-ৰাতি উজাগৰে অসমীয়া জাতি অস্থিৰ হৈ পৰিল। প্ৰত্যেকৰ মুখত জুবিন গাৰ্গৰ ন্যায় লাগে (জাষ্টিচ ফৰ জুবিন)। সামাজিক মাধ্যমত সজোৰে দাবী জনোৱা হ'ল। শেহতীয়াকৈ অজ্ঞাত কোনো শিল্পীয়ে সামাজিক মাধ্যমত হিন্দী ভাষাৰ গীতৰ মাজেৰে জুবিনৰ মৃত্যুত ক্ষোভ প্ৰকাশ কৰিছে এনেদৰে— 'আছাম কি মিট্টি, আপকি গুনজ অব্ ভি

পুকাৰ, আছাম ছে ছিংগাপুৰ টক, কুত্তে, কেলা, হাবামি— অব কিউ ফাৰাৰ হে চব, উন কুত্তো কো জনতা কে হাবালে কৰ দো, জনতা কৰেগি উনকা ইনচাফ, চচ্চায়ি কে বিনা না থামেগা য়ে সংগ্ৰাম, মেনেজাৰ নে চিনে আপকি মেহনট কি কামায়, আয়োজক নে খেলা চাজিছ কি পৰচায়ি, জনতা কি প্ৰদৰ্শন চে ঝুম উঠা হৰ গলি, কুত্তো কি তৰাহ

চিতাৰো হামনে খৈয়া হেই, কুত্তেনে খা গয়া আপকি মেহনট কা তাজ, কেলা হাবামি লাগো নে চিন লি হামেছা আপকি আৱাজ, হৰ ভিডিঅ' অউৰ টছবিৰ মেই আপকি লাছাৰি হে অব চাচ কো দাবনা কিছি কে বচ কি বাত কি নেহি হেই, ডাক্তৰ নে কহা— 'কমজৰ হে, পানী ঔৰ আগ চে সম্ভালাও ইচে, পৰ লেহেৰো মে কিনা জেকেট কিউ চৌৰা উচে, হৰ গীত, হৰ হাসি, হৰ সপনা চুৰায়া গৈয়া হামেছা, ফিৰ ভি য়াদো মে আপ হামেছা জিন্দা ৰহেগা, ছচিয়েল মিডিয়া পৰ চাচ উভৰ আয়া, ভিডিঅ' ক্লিপ নে ৰাজ দেখায়া, কিসকে হাতো মে চুপা হে কালা ৰাজ, হৰ দিল মে গুঞ্জিত হে আপকি

কুত্তো কো জনতা কে হাবালে কৰ দো, জনতা কৰেগি উনকা ইনচাফ, আছাম ছে ছিংগাপুৰ টক, আপকি কাহানি সুনায়েগে হাম, কুত্তে, কেলা, হাবামি অব চুপনে কা বক্ট খতমহু জো ফাৰাৰ হে, বাহাৰ আয়ো, চচ্চায়ি কি বিনা না থামেগা য়ে সংগ্ৰাম, ৰাত চাহে জিতনি ভি কালি হো, শুভ কি কিৰণ জৰুৰ আয়েগি, আপকি আৱাজ, আপকি য়াদো, হামাৰি লড়ায়ি কো হামেছা জাগতে ৰহেগে, জয় জুবিন দা।' উক্ত গীতৰ দ্বাৰা সামাজিক মাধ্যমত উঠলি উঠি এজন অজ্ঞাত শিল্পীয়ে জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ক্ষোভ উজাৰি মনৰ আক্ষেপ প্ৰকাশ কৰিছে। এনেদৰে দেশে-বিদেশে জুবিন-দৰ্শনৰ জোৱাৰ উঠিছে। এতিয়া জুবিনৰ মৃত্যুৰ কাৰণ জানিবলৈ ব্যগ্ৰ হৈ আছে জনতা। যিমানে দিন বাগৰি গৈছে, সিমানে ধৈৰ্যৰ বান্ধ খোল খাবৰ উপক্ৰম। শোকৰ সাগৰত জনতা কক্‌ৰকাই থকা মানে স্বাভাৱিক অৱস্থা সোনকালে ঘূৰি অহাৰ সম্ভাৱনা নাই; বৰঞ্চ ধৈৰ্যচ্যুতিৰ ফালে চেপা উত্তেজনা চৌদিশে বিৰাজমান হৈছে। দেশে-বিদেশে জুবিন-দৰ্শনৰ চৰ্চাক শাসকীয় চকৰাব তথা সকলো ৰাজনৈতিক দলে আস্থাত লোৱা সমীচীন। এইক্ষেত্ৰত জুবিনৰ মৃত্যু পৰিক্ৰমা আৰু ইয়াৰ পাছৰ সকলো কাৰ্যসূচী ৰাজ্য চৰকাৰে সঠিকভাৱে কৰিছে; ইয়াক কাৰো হয়তো দ্বিমত নাথাকিব। কিন্তু পৰিতাপৰ কথা যে ৰাজনৈতিক দলবোৰে ন্যায় বিচাৰৰ ৰায়লৈ অপেক্ষা নকৰি জুবিন-দৰ্শনক ক্ষমতা দখলৰ কামত ব্যৱহাৰৰ বাবে উঠি-পৰি লাগিছে। যি জুবিনে জীৱনক লৈত ৰাজনীতিৰ পৰা আঁতৰত থাকি নিৰ্ভীকভাৱে নিজৰ সাহসী মতাদৰ্শ ব্যক্ত কৰিছিল তেওঁৰে জীৱন-দৰ্শনক ৰাজনৈতিক দলে মুনাফা লাভৰ তাগিদাত টনা-আঁজোৰা কৰা সঠিক নহয়। শিল্পী-সাহিত্যিকসকলক নিজৰ ধৰণে থাকিব দিব লাগে। শাসক-বিৰোধী উভয়ে জুবিন-দৰ্শনক

কৰিবলৈ গ'লে হিতে-বিপৰীত হোৱাৰ সম্ভাৱনাহে বেছি। বৰ্তমান সময়ত জুবিনক লৈ ৰাজনীতি নহয়; সকলোবে গ্ৰহণযোগ্য ন্যায় বিচাৰহে আপেক্ষাৰত। এইন্যায় বিচাৰ যিমানে দেৰি হ'ব সিমানে জনতাৰ ক্ষোভৰ আগ্নেয়গিৰী কালৰূপ ধাৰণ কৰিব যেন লাগিছে। কাৰণ জুবিন অনুৰাগী জনতা ক্ষান্ত-শান্ত তেতিয়ালৈ নহ'ব যেতিয়ালৈ উচিত ন্যায়ৰ ৰায় নেদেখে। ছিংগাপুৰ-কাণ্ডৰ পাছত তিনিধৰণৰ অৱধাৰণা (narrative) সামাজিক মাধ্যমত দেখিবলৈ পোৱা গৈছে। প্ৰকৃত জুবিন-দৰ্শনৰ অনুৰাগী জনতাৰ জুবিন-কৃতিৰ শ্ৰদ্ধাপূৰ্বক পশ্চাৎ অৱলোকন, ক্ষমতালোভী কুটিল ৰাজনীতিৰে জুবিনৰ অৰাজনৈতিক অস্তিত্বক ৰাজনীতিকৰণ কৰাৰ প্ৰয়াস আৰু বহিৰাগত দেশদ্ৰোহী শত্ৰুৱে ৰাজ্যত বাংলাদেশ, নেপাল, শ্ৰীলংকা সদৃশ দুৰ্যোগ নমাই আনাৰ প্ৰচেষ্টা দেখিবলৈ পোৱা গৈছে। ইয়াৰে ভিতৰৰ প্ৰথমটোৱে জুবিনক তেওঁৰ কৰ্মৰ উপলব্ধিৰে সাধাৰণ জনতাই জীয়াই ৰাখিব পাৰিব। পলিটিক্‌চ নকৰিবা বন্ধু... বুলি গীত গোৱা জুবিনৰ অস্তিত্ব ৰাইজৰ মাজত সজীৱ হৈ থাকিব। সকলো মহান পুৰুষৰ মাজত ব্যতিক্ৰমী বৈশিষ্ট্য থাকিবই; তাকে লৈ ৰাজনৈতিক দলবোৰে যদি তৰল ৰাজনৈতিক ক্ষেত্ৰলৈ জুবিনক লৈ যাব বিচাৰে, তেনেহ'লে সেই দলবোৰৰ ক্ষতি হোৱাৰ সম্ভাৱনাই বেছি। ইয়াৰ লগত আন এক প্ৰসংগ অতি গুৰুত্বৰ বুলি ক'ব লাগিব। সেয়া হৈছে সামাজিক তথা বৈদ্যুতিন মাধ্যমৰ দায়িত্ব। আচাৰ-নীতি নথকা, আদৰ্শ আৰু দায়বদ্ধতাৰ পৰা আঁতৰি থকা ভুৱা সামাজিক মাধ্যমৰ প্ৰকোপ। সহজলভ্য হৈ পৰা এনে মাধ্যমৰ পৰা সাধাৰণ জনতা পৰিত্ৰাণ পোৱা সহজ নহয়। কিন্তু বেছিভাগ প্ৰতিষ্ঠিত সংবাদ মাধ্যমে নেতিবাচক দিশবোৰ উগাৰি থাকে, যিয়ে বেছিসংখ্যক জনতাক বিপথে পৰিচালিত কৰে আৰু ইয়াৰ পৰিণতি বেয়াৰ ফালে ঢাল খায়। এটা সময়ত জুবিন-দৰ্শনৰ অৰাজনৈতিক খেয়ালি মনটোক সামাজিক তথা বৈদ্যুতিন মাধ্যমে অধিক প্ৰচাৰ কৰিছিল। ছিংগাপুৰ-কাণ্ডৰ পাছত ৰাজনৈতিক দলবোৰে সেইবোৰকে সুবিধাজনক ৰূপত ব্যৱহাৰ কৰিবলৈ মুৰ দাঙি উঠিছে। সেয়া সমাজৰ বাবে শুভলক্ষণ নহয়। সেই সময়ত জুবিন দৰ্শনৰ গভীৰ মানবীয়তাৰ দিশবোৰক প্ৰচাৰ নকৰাকৈ থাকিল; যিবোৰে এতিয়া শোকাকুল জনতাক ব্যথিত কৰি জুবিন যে ঈশ্বৰৰ সন্তান আছিল, ভাবিবলৈ বাধা কৰায়। জুবিন-দৰ্শনত প্ৰকৃতি প্ৰেম, মানৱ প্ৰেম, পক্ষী প্ৰেম, জীৱ প্ৰেমৰ যি নিদৰ্শন আছিল সেয়া ছিংগাপুৰ-কাণ্ডৰ পাছতহে সাধাৰণ জনতাৰ সন্মুখলৈ আহিল। এনে দিশবোৰক এলাগি কৰি সামাজিক মাধ্যমসমূহে জুবিন-দৰ্শনক আঁতৰাই ৰাখিব নালাগিছিল। শেষত কওঁ জাতিৰ ত্ৰাণকৰ্তা ৰূপত যিসকলে নেতৃত্ব লয়, তেওঁলোকে নেতিবাচক দিশবোৰৰ পৰা আঁতৰি যোগাত্মক দিশবোৰত মনযোগ দি জাতিটোক আগুৱাই নিয়ক।

লেখক যোৰহাট মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক
■ ফোন : ৯১৫১১১১৬৫৮

জুবিন-দৰ্শনত প্ৰকৃতি প্ৰেম, মানৱ প্ৰেম, পক্ষী প্ৰেম, জীৱ প্ৰেমৰ যি নিদৰ্শন আছিল সেয়া ছিংগাপুৰ-কাণ্ডৰ পাছতহে সাধাৰণ জনতাৰ সন্মুখলৈ আহিল। এনে দিশবোৰক এলাগি কৰি সামাজিক মাধ্যমসমূহে জুবিন-দৰ্শনক আঁতৰাই ৰাখিব নালাগিছিল...

ড° গৌৰাংগ বৰা

ৰজা আহে ৰজা যায়

দেশৰ জনগণক পৰিচালিত কৰাৰ বাবে অতীজৰে পৰা শাসক বা ৰজাৰ পৰম্পৰা চলি আহিছে। প্ৰতিটো যুগতে ৰজাই শাসন কৰাৰ কথা দেশৰ বুৰঞ্জী, ইতিহাস আৰু পৌৰাণিক মহাকাব্যসমূহে আমাক কৈ যায়। বুৰঞ্জীয়ে এয়াও কয় যে প্ৰজাৰ হিত সাধন কৰাই ৰজাৰ ধৰ্ম। নীতি-আদৰ্শৰে একোজন ৰজা পৰিচালিত হয়। সেই নীতি-আদৰ্শৰে পৰিচালিত হোৱা কোঁচ ৰজা নৰনাৰায়ণক প্ৰশস্তি কৰি মহাপুৰুষ শংকৰদেৱে এটি ভটিমা ৰচনা কৰিছিল। নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত গুৰুজনাই গাইছিল ঃ

জয় জয় মল্ল নৃপতি ৰসবান।
যাকেৰি গুণগান নাহিকে সমান।।
নিজ কুল-কুমুদ প্ৰকাশিত ইন্দু।
গহীন গম্ভীৰ ধীৰ পেখিতে সিন্ধু।।
সভা একপাত্ৰ আপন মহাৰাজ।
দেৱক মধ্যে জৈসে সুৰৰাজ।।

আদিম কালত মানুহে সমাজ পাতি বাস কৰিবলৈ লোৱাৰ পৰা কোনোবা এজন লোকে নেতৃত্ব দি আনসকলক চিকাৰলৈ নিছিল। নেতৃত্ব বা শাসন যে তেতিয়াৰ পৰাই উকমুকনি মেলিছিল। পাছলৈ সেই নেতৃত্ব শাসনলৈ ৰূপান্তৰিত হ'ল। প্ৰকৃততে শাসকৰ দেশ চলোৱা নীতিৰ ওপৰতহে ইতিহাসে ৰজাৰ বিচাৰ কৰে ভৱিষ্যতলৈ।

কালৰ শেষত সেই শাসক কেতিয়াবা হৈ পৰে নায়ক আৰু কেতিয়াবা খলনায়ক। প্ৰজাৰ ওপৰত ৰজাৰ আধিপত্য মানে শোষণ বুলি ভবা শাসক বুৰঞ্জীত হৈ পৰে খলনায়ক। আনহাতে, প্ৰজাৰ মংগল সাধন কৰিবলৈ প্ৰতিটো মুহূৰ্তত চিন্তা কৰা ৰজা হৈ পৰে নায়ক। সেয়েহে ৰজা ৰামচন্দ্ৰ আজিও নায়ক। ৰজা হৰিশ্চন্দ্ৰৰ ত্যাগ আজিও অমৰ। আজিও দেশে লাচিত বৰফুকনৰ কথা স্মৰি নিজকে লাচিতৰ সন্তান বুলি গৌৰৱেৰে বুক ডাঠ কৰি চিএৰি উঠে। কোনেও নিজকে ৰাৱণ বুলি কৈ

ৰজা কেতিয়াও আজীৱন ক্ষমতাৰ মসনদত থাকিব নোৱাৰে। ক্ষমতাৰ বাগৰি যাব লগত শেষ হয়। ক্ষমতাৰ বাগৰি যাব লগত শাসন কেতিয়া প্ৰজাৰ মংগল...